জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৯/২০২১

# অসম ভৱনৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩১ আগষ্ট ঃ** দেশৰ বিভিন্ন ৰাজ্যত অসম ভৱনৰ নিৰ্মাণ, উন্নয়ন সাধন আৰু অন্যান্য নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক বৈঠক অনুষ্ঠিত হয়। সাধাৰণ প্ৰশাসন বিভাগ, লোকনিৰ্মাণ বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই পৰ্যালোচনামূলক বৈঠকত নতুন দিল্লী আৰু কলকাতাৰ অসম ভৱনৰ উন্নয়ন, দেশৰ ভিন্ন প্ৰান্তত নতুনকৈ নিৰ্মাণ কৰিবলগীয়া অসম ভৱন আৰু অন্যান্য নিৰ্মাণকাৰ্যৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰা হয়।

আজিৰ এই বৈঠকত নতুন দিল্লী আৰু কলকাতাৰ অসম ভৱনৰ প্ৰস্তাৱিত উন্নয়নৰ বিষয়টো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই ভৱন দুটাৰ উন্নয়নৰ কাম শীঘ্ৰে আৰম্ভ কৰি সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকতে দ্বাৰাকাত ছাত্ৰ-ছাত্ৰী আৰু ৰোগীৰ বাবে নিৰ্মাণ কৰিবলগীয়া অসম ভৱনৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত বাংগালুৰু, চণ্ডীগড়, পণ্ডুচেৰী, হায়দৰাবাদ আদিত নিৰ্মাণ কৰিবলগীয়া অসম ভৱনৰ বিষয়েও আলোচনা কৰা হয়। আজিৰ এই বৈঠকতে নতুন ৰাজভৱন নিৰ্মাণৰ সম্পৰ্কত আলোচনা কৰাৰ লগতে এই ক্ষেত্ৰত তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে সংহত সঞ্চালকালয়ৰ কাৰ্যালয় নিৰ্মাণৰ ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই বৈঠকত বিত্ত মন্ত্ৰী অজন্তা নেওগ, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া, মহানগৰ আৰক্ষী আয়ুক্ত, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত উপস্থিত থাকে।

**পুঃডেঃ**
**৩১/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in